# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-05-2024
**Time :** 18-45 Hrs

### Assamese Evening Bulletin
**::::::: ::::::: :::::::: ::::::::**

১। দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত হ'বলগীয়া চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত। মহাৰাষ্ট্ৰ, তেলেংগানাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰোড শ্ব'। উত্তৰ প্ৰদেশত ৰাহুল গান্ধীৰ জনসভাক সম্বোধন।

২। গুৱাহাটীত কমনৱেলথ সংসদীয় সংস্থাৰ উত্তৰ-পূব সংমণ্ডলৰ কাৰ্যনিৰ্বাহক বৈঠক সম্পন্ন।

৩। উচ্চতম ন্যায়ালয়ৰ সুৰা নীতি গোচৰত অভিযুক্ত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ জামিন মঞ্জুৰ।

৪। ঢকুৱাখনাৰ ম'হঘুলি চাপৰিত তিনি দিনীয়া কাৰ্যসূচীৰে ফাট বিহুৰ আয়োজন।

৫। গুৱাহাটীত উত্তৰ-পূব চিনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ আৰম্ভ। *আৰু*

৬। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি আহমেদাবাদত হ'বলগীয়া খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ মুখামুখি।

ooooo

দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিত অহা ১৩ মে'ত হ'বলগীয়া চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ব্যাপক নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। কাইলৈ এই পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে সামৰণি পৰিব। নিৰ্বাচনী প্ৰচাৰৰ সামৰণিৰ এদিন পূৰ্বে ভাৰতীয় জনতা পাৰ্টী, ভাৰতীয় জাতীয় কংগ্ৰেছ দল, তৃণমূল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰ আৰু তেলেংগানাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া ওড়িশাত হ'বলগীয়া ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি হাৰিয়ানাৰ পঞ্চকুলাত আম্বালা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই পশ্চিমবংগৰ বেৰেকপুৰ আৰু হুগলীত অনুষ্ঠিত জনসভাত অংশগ্ৰহণ কৰে। ইপিনে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধী আৰু সমাজবাদী পাৰ্টীৰ অধ্যক্ষ অখিলেশ যাদৱে উত্তৰ প্ৰদেশৰ কনৌজত আজি অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে তেওঁৰ ভাষণত বিজেপিক সমালোচনা কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে গোৰখপুৰত অনুষ্ঠিত নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰে। চতুৰ্থ

পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া অন্ধ্ৰপ্ৰদেশ, পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশতো প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনী প্ৰচাৰ চলায়।

ooooo

কংগ্ৰেছ দলে ধৰ্মৰ ভিত্তিত সংৰক্ষণ ব্যৱস্থাৰ আৰম্ভণিৰে সংবিধান পৰিৱৰ্তন কৰিবলৈ বিচৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অভিযোগ উত্থাপন কৰিছে। এটা ব্যক্তিগত বাতৰি চেনেলত দিয়া সাক্ষাৎকাৰত শ্ৰীমোডীয়ে কয় যে তেওঁৰ চৰকাৰে সংবিধান পৰিৱৰ্তন কৰিব বুলি কেতিয়াও উল্লেখ কৰা নাই। বাক স্বাধীনতা সংশোধন কৰি কংগ্ৰেছে পূৰ্বেও সংবিধানৰ মূল নীতিক আক্ৰমণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোডীয়ে লগতে কংগ্ৰেছ নেতা ছেম পিট্ৰোডাই ভাৰতীয়সকলৰ বিষয়ে শেহতীয়াকৈ কৰা মন্তব্যই কংগ্ৰেছ দলৰ মনোভাৱকে প্ৰতিফলিত কৰে বুলি অভিযোগ তোলে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ দৰে এখন দেশত য'ত জনসাধাৰণে কৃষ্ণক উপাসনা কৰে তেনে এখন দেশত ক'লা আৰু বগাৰ পাৰ্থক্যৰে কাম কৰাৰ কোনো প্ৰাসংগিকতা নাই। শ্ৰীমোডীয়ে লগতে কয় যে ভাৰতবৰ্ষ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ দৰে আদৰ্শৰে ধন্য এখন দেশ।

ooooo

মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ চাৰিটা ভোটগ্ৰহণ কেন্দ্ৰত আজি শান্তিপূৰ্ণভাৱে পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়। ৰাজাপুৰ, দুদৰ ৰায়ত, কুন্দ ৰায়ত আৰু চিখলিমাল কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ কৰা হৈছে। মধ্য প্ৰদেশৰ মুখ্য নিৰ্বাচনী বিষয়া অনুপম ৰাজনে জনোৱা অনুসৰি বিয়লি ৬ বজাত সামৰণি পৰে। এই চাৰিটা ভোটগ্ৰহণ কেন্দ্ৰত ৩ হাজাৰ ৩৭জন ভোটদাতা আছে। এই কেন্দ্ৰকেইটাত যোৱা ৭ মে'ত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল যদিও ভোটগ্ৰহণৰ পাছত ই ভি এম কঢ়িয়াই নিয়া বাছখনত জুই লগাৰ পৰিপ্ৰেক্ষিতত এই কেন্দ্ৰকেইটাৰ ই ভি এমসমূহ জুইত জাহ গৈছিল।

ooooo

গুৱাহাটীত আজি কমনৱেল্থ সংসদীয় সংস্থাৰ উত্তৰ-পূব সংমণ্ডলৰ কাৰ্যনিৰ্বাহকৰ বৈঠক অনুষ্ঠিত হয়। উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষই অংশগ্ৰহণ কৰা এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অৰুণাচল বিধানসভাৰ অধ্যক্ষৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত আঠটা তৰাযুক্ত সংস্থাৰ নতুন ল'গো ব্যৱহাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিৰ এই বৈঠকতে উত্তৰ-পূব সংমণ্ডলৰ নতুন কমিটি গঠন কৰা হয়। নাগালেণ্ড বিধানসভাৰ অধ্যক্ষ ছাৰিংগেইন লংকুমাৰক নতুন কমিটিৰ অধ্যক্ষ হিচাপে  নিৰ্বাচিত কৰা হয়। আনহাতে অসম বিধানসভাৰ সচিব দুলাল পেগুৰে সঞ্চালক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে কমনৱেলথ সংসদীয় সংস্থাৰ উত্তৰ-পূব সংমণ্ডলৰ পৰৱৰ্তী বৈঠক মিজোৰামত অনুষ্ঠিত হ'ব।

ooooo

উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ অন্তৰৰ্তীকালীন জামিন মঞ্জুৰ কৰিছে। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু দিপাংকৰ দত্তৰ খণ্ড বিচাৰপীঠৰ আদালতে সুৰা নীতি গোচৰত তিহাৰ জেলত বন্দী হৈ থকা কেজৰিৱালৰ অন্তৰৰ্তীকালীন জামিন অহা ১ জুনলৈ মঞ্জুৰ কৰিছে। ২ জুনত কেজৰিৱালক জেল কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ আদালতে নিৰ্দেশ দিছে। আদালতত দুয়ো পক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ অন্তত ন্যায়াধীশদ্বয়ে দিল্লীৰ মুখ্যমন্ত্ৰী শ্ৰী কেজৰিৱালৰ জামিন আবেদন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে যোৱা ২১ মাৰ্চত বিধি বলৱৎকাৰী সঞ্চালকালয়ে সুৰা নীতিৰ গোচৰত দিল্লীৰ

মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। ইপিনে কেজৰিৱালৰ জামিন মঞ্জুৰ কৰাৰ পাছতে আম আদমি পাৰ্টীয়ে উচ্চতম ন্যায়ালয়ক ধন্যবাদ জ্ঞাপন কৰে। এখন সংবাদমেল সম্বোধন কৰি আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেতা সৌৰভ ভৰদ্বাজ আৰু আতিচিয়ে এয়া সত্যৰ জয় বুলি অভিহিত কৰে। জেলৰ পৰা ওলোৱাৰ পাছত কেজৰিৱালে লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলাব বুলি আম আদমী পাৰ্টীৰ সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে আপ অসমৰ সভাপতি ডাঃ ভবেন চৌধুৰীয়ে উচ্চতম ন্যায়ালয়ৰ ৰায়ক আদৰণি জনায়। তেওঁ কয় যে কেজৰিৱালৰ জামিন লাভে বিৰোধী ঐক্যমঞ্চক শক্তিশালী কৰিব।

00000

ভাইচ এডমিৰেল সঞ্জই ভাল্লাই আজি ভাৰতীয় নৌসেনা বাহিনীৰ কৰ্মচাৰীসকলৰ মুৰববী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। ১৯৮৯ চনৰ ১ জানুৱাৰীত তেওঁ ভাৰতীয় নৌবাহিনীত যোগদান কৰিছিল। ৩৫ বছৰীয়া কৰ্মজীৱনত তেওঁ বন্দৰ আৰু সমুদ্ৰ উভয় ক্ষেত্ৰতে ভালেমান বিশেষজ্ঞ, কৰ্মচাৰী আৰু পৰিচালন নিযুক্তিৰ ক্ষেত্ৰত কাম কৰিছিল। শ্ৰীভাল্লাই তেওঁৰ বিশেষ প্ৰশিক্ষণ সমাপ্তিৰ পাছত কেইবাখনো আগশাৰীৰ যুদ্ধজাহাজত বিশেষজ্ঞ হিচাপে অৱদান আগবঢ়াই আহিছে। আই এন এছ নিছাংক, আই এন এছ তাৰাগিৰি, আই এন এছ বীজৰ দৰে জাহাজত সমুদ্ৰ ক্ষেত্ৰত তেওঁ সমান্তৰালভাৱে বিভিন্ন প্ৰত্যাহ্বান গ্ৰহণ কৰি উপযুক্ত নিৰ্দেশনা আগবঢ়াই আহিছিল। এই বিশিষ্ট সেৱাৰ সন্মানস্বৰূপে শ্ৰীভাল্লাক অতিবিশিষ্ট সেৱা পদক, নৌসেনা পদক আগবঢ়োৱাৰ উপৰি নৌসেনা বাহিনীৰ মুৰববী আৰু ফ্লেগ অফিচাৰ কমাণ্ডিং ইন চীফৰ পৰাও প্ৰশংসা লাভ কৰিছিল।

00000

অক্ষয় তৃতীয়া উপলক্ষে আজি অযোধ্যাৰ ৰাম মন্দিৰত ৰাম লালাক অসমৰ বিখ্যাত এৰী আৰু মুগা সুতাৰে প্ৰস্তুত কৰা বিশেষ বস্ত্ৰ পৰিধান কৰোৱা হয়। ৰাম মন্দিৰৰ অফিচিয়েল ডিজাইনাৰ মনিষ ত্ৰিপাঠীয়ে শিশু ৰামৰ বাবে এই বিশেষ সাজ প্ৰস্তুত কৰিছে। এই বিশেষ পোছাকৰ জৰিয়তে অসমৰ বস্ত্ৰ শিল্পৰ প্ৰতিচ্ছবি ভগৱান ৰামৰ জৰিয়তে বিশ্ববাসীৰ ওচৰত প্ৰদৰ্শনৰ প্ৰয়াস কৰা হৈছে। প্ৰায় ৪৫ দিনৰ অন্তত এই সাজ প্ৰস্তুত কৰি উলিওৱা হৈছে। ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাম লালাক অসমৰ এৰী আৰু মুগা সুতাৰে প্ৰস্তুত কৰা সাজ পৰিধান কৰোৱাক লৈ সন্তুষ্টি প্ৰকাশ কৰি অসমবাসীয়ে ভগৱান ৰামক ভক্তিৰ উপহাৰ আগবঢ়োৱা বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

00000

কৰিমগঞ্জৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে ছোৱাই ফ্লু সদৃশ ৰোগৰ সম্ভাব্য বিস্তাৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব দিছে। এই সন্দৰ্ভত স্বাস্থ্য বিভাগে সতৰ্কতামূলক নিৰ্দেশনা জাৰি কৰে। স্বাস্থ্য বিভাগে গাহৰিৰ পৰা ৰোগ সংক্ৰমণ ৰোধ কৰিবলৈ গাহৰিৰ আবাস পৰিষ্কাৰ কৰি ৰখাটো বাধ্যতামূলক কৰিছে। তদুপৰি কৃষক আৰু গাহৰি পালনৰ লগত জড়িত লোকৰ টীকাকৰণৰ ওপৰত স্বাস্থ্য বিভাগে গুৰুত্ব আৰোপ কৰে। নিৰ্দেশনাটোত ছোৱাইন ফ্লু ৰোগীৰ চিকিৎসাৰ সময়ত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে মাস্ক, এপ্ৰন, গ্লোভছ আদি পৰিধান কৰিব লাগে বুলি উল্লেখ কৰা হৈছে।

00000

ঢকুৱাখনাৰ চাৰিকড়িয়া নৈ পাৰত অৱস্থিত মহঘুলি চাপৰিত আজিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে ফাট বিহু আৰম্ভ হৈছে। বিগত বৰ্ষৰ দৰে এইবাৰো বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত হোৱা ফাট বিহুৰ প্ৰথম দিনা উদুলি-মুদুলি পৰিৱেশে বিৰাজ কৰিছে। আজি প্ৰথমদিনা স্থায়ী সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা

উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। উদযাপন সমিতিৰ সভাপতি মুকুল গগৈয়ে স্মৃতি তৰ্পণ কৰে। আনহাতে গিৰিন গগৈয়ে মঞ্চ মুকলি কৰে। ফাট বিহুৰ আজি প্ৰথমদিনা টকা বিহু আৰু চেমনিয়া হুচৰি প্ৰতিযোগিতা অনুষ্ঠিত হয়। কপৌ ফুল আৰু গছপুলি ৰোপণেৰে ফাট বিহুৰ কাইলৈ দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পিছতে গামোচা প্ৰতিযোগিতা, হুচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কাইলৈ ফাট বিহুৰ বছৰেকীয়া স্মৰণিকা **বিহুৱান** উন্মোচন কৰা হ'ব। ফাট বিহুৰ অন্তিম দিনা হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ প্ৰদান বৰুৱাকে ধৰি বহুকেইজন মন্ত্ৰী বিধায়ক আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা উদ্যানৰ দুৱাৰ অহা ১৫ মে'ৰ পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব। বিগত বৰ্ষৰ ১৫ অক্টোবৰত মুকলি হোৱা ২০২৩-২৪ পৰ্যটন বৰ্ষৰ অহা ১৫ মে'ত অন্ত পৰিব। ইতিমধ্যে যোৱা পহিলা মে'ৰ পৰা উদ্যানখনত হাতী চাফাৰী বন্ধ কৰি দিয়া হৈছে। ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। এই পৰ্যটন বৰ্ষটোত বৰ্তমানলৈকে ৩০ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটককে ধৰি ৩ লাখ ২৭ হাজাৰ ৪৯০ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্য লাভ কৰা হৈছে। এই সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই ৮ কোটি ৮০ লাখ টকাৰ ৰাজহ লাভ কৰিছে।

০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে কাৰ্বন শোষণৰ বাবে এক কোটি গছপুলি ৰোপণৰ পদক্ষেপ হিচাপে নতুন দিল্লীৰ শক্তি আৰু সম্পদ প্ৰতিষ্ঠান- টেৰী আৰু ৰিনিউ পাৱাৰ চিনাৰিজ প্ৰাইভেট লিমিটেডৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। এই চুক্তিৰ জৰিয়তে অসমৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলৰ সহযোগত ৰোপণ কৰিবলগীয়া গছপুলিবোৰৰ ৩ বছৰৰ পাছত ডাঙৰ হোৱা গছবোৰত জমা হোৱা কাৰ্বন বিশেষ পদ্ধতিৰে মূল্যায়ন কৰি আন্তৰাষ্ট্ৰীয় পৰ্যায়ত নিৰ্ধাৰিত দৰত গছৰ গৰাকীক ইয়াৰ লাভ্যাংশ প্ৰদান কৰা হব। অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কৃষি বিজ্ঞান কেন্দ্ৰ আৰু কৃষি গৱেষণা কেন্দ্ৰৰ সহযোগত এই চুক্তিৰ অধীনত অসমৰ ১০ খন জিলাত প্ৰাৰম্ভিক পৰ্যায়ত গছপুলি ৰোপণ কৰা হ'ব।

০০০০০

কামৰূপ জিলা অধিবিদ্যা পৰিষদ আৰু সমগ্ৰ শিক্ষা কামৰূপৰ যুটীয়া উদ্যোগত আজি কামৰূপ জিলাৰ মিৰ্জা ডায়েটত কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। জিলা পৰ্যায়ত অনুষ্ঠিত এই কৰ্মশালাৰ বিষয়বস্তু আছিল- মাধ্যমিক শ্ৰেণীত কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰবটিক্স বিষয়ৰ অন্তৰ্ভুক্তিয়ে ছাত্ৰ-ছাত্ৰীক বিশ্বায়নৰ যুগত বহিঃবিশ্বৰ সৈতে সম্পৰ্ক স্থাপনত সহায় কৰিব। জিলাখনৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২৭৪ গৰাকী বিদ্যালয় প্ৰধানে অংশগ্ৰহণ কৰা এই কৰ্মশালাত পৰৱৰ্তী গুণোৎসৱ সন্দৰ্ভতো বিশদভাৱে আলোচনা কৰা হয়।

০০০০০

অসম ৰাজ্যিক সাংবাদিক সন্থাৰ দশক বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি দিনযোৱা কাৰ্যসূচীৰে শিৱসাগৰত অনুষ্ঠিত কৰা হয়। শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ত অনুষ্ঠিত এই দিৱসৰ সৈতে সংগতি ৰাখি আচাম ট্ৰিব্ৰিউন কাকতৰ কাৰ্যবাহী সম্পাদক তথা মিডিয়া কোষৰ অধ্যক্ষ প্ৰশান্ত জ্যোতি বৰুৱাক ২০২৪ বৰ্ষৰ

ব্ৰহ্মপুত্ৰ উপত্যকা সাংবাদিক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ভাৰতীয় সাংবাদিক সংঘৰ সচিব প্ৰধান সাবানায়কন চেলভা কুমাৰস্বামী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

00000

নৱগঠিত তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি বান সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা উপায়ুক্তগৰাকীয়ে বান পৰিস্থিতি সন্দৰ্ভত সতৰ্ক হৈ থাকি ৰাইজক প্ৰয়োজনীয় সহায় সহযোগিতা আগবঢ়াবলৈ  বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকলক আহ্বান জনায়। এই বৈঠকত শিশু খাদ্যৰ লগতে গৰ্ভৱতী মহিলাৰ সুৰক্ষা, বিশুদ্ধ খোৱাপানী, পোহৰৰ ব্যৱস্থা, ৰাস্তা ঘাটৰ মেৰামতি, ঔষধ আদি বিভিন্ন বিষয় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। বানৰ সময়ত পশুধনৰ বিস্তৰ ক্ষতি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা আয়ুক্তগৰাকীয়ে পশু চিকিৎসকসকলকো সন্তম হৈ থাকিবলৈ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ সমান্তৰালকৈ কৃষি, স্বাস্থ্য, সমাজকল্যাণ, জলসম্পদ, জলসিঞ্চন, যোগান আদি বিভাগক বিশেষ দৃষ্টি ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়।

00000

মৰিগাওঁ জিলাৰ মায়ঙৰ পবিতৰা অভয়াৰণ্যত কালি নিশা বনৰক্ষী আৰু আৰক্ষীয়ে গোপন অভিযান চলাই অত্যাধুনিক মাৰনাস্ত্ৰসহ এটা চোৰাং চিকাৰী আটক কৰিবলৈ সক্ষম হয়। পবিতৰা অভয়াৰণ্যৰ বন বিষয়া আৰু মৰিগাওঁৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলোৱা এই অভিযানত আটক কৰা চোৰাং চিকাৰীটোৰ পৰা এটা ৰাইফল, ১২ জাই গুলি আৰু এটা অত্যাধুনিক পিষ্টলো উদ্ধাৰ কৰা হয়।

00000

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অহা ১২ মে'ৰ সন্ধিয়া ৬ বজাত দিছপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটিৰ উদ্যোগত জ্যোতিপ্ৰসাদ আগৰৱলাৰা বহু সমাদৃত নাটক **কাৰেঙৰ লিগিৰী** মঞ্চস্থ কৰা হ'ব। বিশিষ্ট নাট পৰিচালক মাণিক আহমেদৰ দ্বাৰা পৰিচালিত আৰু দিছপুৰ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অভিনীত নাটকখনি শিক্ষামন্ত্ৰী ডাঃ  ৰণোজ পেগুৱে উদ্বোধন কৰিব। নাট্যানুষ্ঠানটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ ননীগোপাল মহন্তৰ লগতে আনকেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

00000

আছাম চিনিয়ৰ বেডমিণ্টন ক্লাবৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত তিনি দিনীয়াকৈ অষ্টম উত্তৰ-পূব চিনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে। আজি পুৱাৰ পৰা বিভিন্ন শাখাৰ খেলসমূহ অনুষ্ঠিত হয়। নেহৰু ষ্টেডিয়ামৰ তৰুণৰাম ফুকন ইণ্ডোৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাখনত উত্তৰ-পূবৰ লগতে ভূটান আৰু নেপালৰ খেলুৱৈয়ে অনুশগ্ৰহণ কৰিছে। আজি সন্ধিয়া অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমিত সিঙে প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুজৰাটৰ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

0000

যোৰহাট জিলাৰ তিতাবৰত কাইলৈৰ পৰা সপ্তম সংখ্যক সদৌ অসম পেনচাক ছিলাট চেম্পিয়নশ্বিপ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম পেনচাক ছিলাট সংস্থাৰ উদ্যোগত হ'বলগীয়া প্ৰতিযোগিতাখনত খেলুৱৈসকলে কেইবাটাও বিভাগত প্ৰতিদ্বন্দ্বিতা কৰিব। এই প্ৰতিযোগিতাখনৰ পৰাই ১১ জুনৰ পৰা ১৩ জুনলৈ ওড়িশাত হ'বলগীয়া ৰাষ্ট্ৰীয় পেনচাক ছিলাট প্ৰতিযোগিতাৰ বাবে খেলুৱৈ বাচনি কৰা হব। বাচনিভুক্ত খেলুৱৈসকলক অহা ১৫ মে'ৰ পৰা ৫ জুনলৈ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি অসম পেনচাক ছিলাট সংস্থাৰ সাধাৰণ সম্পাদক লক্ষ্যজিত দলেই জানিবলৈ দিয়ে।

০০০০

সমাপ্ত